হে আল্লাহ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ কবৰৰ শাস্তিৰ পৰা, জাহান্নামৰ আজাবৰ পৰা, জীৱন আৰু মৰণৰ ফিতনাৰ পৰা, লগতে মছীহ দাজ্জালৰ ফিতনাৰ পৰা

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে এনেকৈ দুআ কৰি কৈছিলঃ " হে আল্লাহ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ কবৰৰ শাস্তিৰ পৰা, জাহান্নামৰ আজাবৰ পৰা, জীৱন আৰু মৰণৰ ফিতনাৰ পৰা, লগতে
মছীহ দাজ্জালৰ ফিতনাৰ পৰা।" মুছলিমৰ এটা বৰ্ণনাত এইদৰে আছে যে, "যেতিয়া তোমালোকে
শেষ তাশ্বাহহুদ সম্পন্ন কৰিবা, তেতিয়া চাৰিটা বস্তুৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰিবা। জাহান্নামৰ শাস্তিৰ পৰা, কবৰৰ আজাবৰ পৰা, জীৱন-মৰণৰ ফিতনাৰ পৰা আৰু মছীহ দাজ্জালৰ অনিষ্টৰ পৰা।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নামাজত অন্তিম তাশ্বাহহুদৰ পিছত আৰু ছালাম ফিৰোৱাৰ আগত চাৰিটা বস্তুৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰিছিল, লগতে তেখেতে আমাকো সেইবোৰৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰাৰ নিৰ্দেশ দিছে। ১) কবৰৰ শাস্তিৰ পৰা। ২) জাহান্নামৰ শাস্তিৰ পৰা, অৰ্থাৎ কিয়ামতৰ দিনা। ৩) জীৱনৰ ফিতনাৰ পৰা, যেনে- হাৰাম আশা- আকাংক্ষা আৰু পথভ্ৰষ্ট কৰিব পৰা সন্দেহৰ পৰা। মৃত্য়ুৰ ফিতনা যেনে- মৃত্যুৰ সময়ত ইছলামৰ পৰা তথা ছুন্নতৰ পৰা বিভ্ৰান্ত হোৱা, এইদৰে কবৰৰ ফিতনা যেনে- ফিৰিস্তাসকলৰ প্ৰশ্নৰ পৰা।
৪) মছীহ দাজ্জালৰ ফিতনাৰ পৰা, যাৰ আৱিৰ্ভাৱ শেষ জামানাত হ'ব। যাৰ দ্বাৰা আল্লাহে বান্দাসকলক পৰীক্ষা কৰিব। ইয়াত দাজ্জালৰ বিষয়টো বিশেষকৈ উল্লেখ কৰাৰ অৰ্থ হৈছে, ইয়াৰ ফিতনা বৰ ভয়ানক হ'ব, লগতে সি অধিকাংশ লোকক পথভ্ৰষ্ট কৰিব।

http://sunnah.global/hadeeth/as/show/3103